দৈনিক অসম Date : 22-Feb-16 Page : 14

# নুমলীগড় মাৰাথনত কেনিয়াৰ এথলেটৰ শ্ৰেষ্ঠত্ব

**নুমলীগড়, ২১ ফেব্ৰুৱাৰী ঃ** নুমলীগড় শোধনাগাৰৰ উদ্যোগত আজি সফলতাৰে অনুষ্ঠিত হয় নুমলীগড় মাৰাথন, ২০১৬। 'ৰাণ টু কীপ ফিট' মূল মন্ত্ৰৰে মুঠ তিনিটা ভাগত ৩ কিলোমিটাৰ, ৫ কিলোমিটাৰ আৰু ১০ কিলোমিটাৰ দূৰত্বত এই দৌৰ অনুষ্ঠিত হয়। নুমলীগড়ৰ সমীপৰ লৱণঘাটৰপৰা ৩৯নং ৰাষ্ট্ৰীয় ঘাইপথেৰে নুমলীগড় শোধনাগাৰৰ নগৰাঞ্চললৈ ৩ কিলোমিটাৰ আৰু ৫ কিলোমিটাৰ দূৰত্বৰ দৌৰ সম্পন্ন হোৱাৰ বিপৰীতে ১০ কিলোমিটাৰ দূৰত্বৰ দৌৰ অনুষ্ঠিত হয় নুমলীগড় হাইস্কুল খেলপথাৰৰপৰা শোধনাগাৰৰ নগৰ অঞ্চললৈ। দহ কিলোমিটাৰ দূৰত্বৰ প্ৰতিযোগিতাৰ পুৰুষৰ শাখাত কেনিয়াৰ ছিমন ক্লিপগেটে প্ৰথম আৰু পিটাৰ নাৱাংগীয়ে দ্বিতীয় স্থান দখল কৰে। আনহাতে, মহিলাৰ শাখাত গুৱাহাটীৰ মাটোৱাৰা আহমেদ আৰু সূৰ্যা বানুৱে প্ৰথম দুটা স্থান লাভ কৰে। ৫ কিলোমিটাৰ দূৰত্বৰ প্ৰতিযোগিতাত পুৰুষৰ শাখাত গুৱহাটীৰ হবিবুল আহমেদে প্ৰথম আৰু তেহাৰ আলীয়ে লাভ কৰে দ্বিতীয় স্থান। মহিলাৰ শাখাত প্ৰথম দুটা স্থান পায় ক্ৰমে গুৱাহাটীৰ মিত্ৰোৱাৰা খাতুন আৰু গোলাঘাটৰ সুমিত্ৰা মিৰ্ধাই। ইফালে, ৩ কিলোমিটাৰ দৌৰৰ প্ৰতিযোগিতাৰ পুৰুষৰ শাখাত বাদুলীপাৰাৰ নাৰায়ণ টায়েই প্ৰথম আৰু বোকাখাতৰ হেমন্ত বৰুৱাই দ্বিতীয় স্থান দখল কৰাৰ বিপৰীতে মহিলাৰ শাখাত ভৱানী কছাৰীয়ে আৰু মহিনা পাঠৰী প্ৰথম দুটা স্থানত থাকে। এই তিনিটা শাখাত প্ৰায় ২৫০০ প্ৰতিযোগীয়ে ভাগ লয়।